# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-Aug-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
--------------------

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বি টি চিৰ পৰ্বতঝোৰাত এখন জনসভাত অংশগ্ৰহণ কৰে। বি টি চিৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এইখন জনসভাতো মুখ্যমন্ত্ৰীগৰাকী ভি চি ডি চিৰ বিৰুদ্ধে সৰৱ হৈ উঠে। ভি চি ডি চি ব্যৱস্থাই সৰ্বসাধাৰণ দৰিদ্ৰ জনতাক শোষণ কৰা বুলি অভিযোগ কৰি ড° শৰ্মাই কয়, যে এইবাৰ বি টি চিত বিজেপিয়ে চৰকাৰ গঠন কৰিলে ভি চি ডি চি ব্যৱস্থা প্ৰত্যাহাৰ কৰা হ'ব। তেওঁ লগতে বিজেপিৰ চৰকাৰ হ'লে  বি টি চিত অৰুণোদয়কে ধৰি বিভিন্ন চৰকাৰী আঁচনি প্ৰকৃত হিতাধিকাৰীয়ে লাভ কৰাটো নিশ্চিত কৰা হ'ব বুলিও প্ৰতিশ্ৰুতি দিয়ে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি কোকৰাঝাৰ জিলাত দুখনকৈ সংকল্প সভাত অংশগ্ৰহণ কৰি কয়, যে বিটিচিত বিজেপি চৰকাৰ হ'লে কোনো দ্বিতীয় শ্ৰেণী নাগৰিক নাথাকিব। বিটিচি চুক্তি স্বাক্ষৰ হোৱাৰ ২২ বছৰ পাছতো অঞ্চলটোৰ ৰাইজে আজিও বিচৰাধৰণে অধিকাৰ নাপালে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিজেপিৰ লক্ষ্য হৈছে বিটিচিৰ প্ৰতিটো জাতি-জনগোষ্ঠীক প্ৰথম শ্ৰেণীৰ নাগৰিকৰ মৰ্যাদা আৰু অধিকাৰ প্ৰদান কৰা। বিটিআৰ বাসীৰ মাটি-বাৰীৰ দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধান, শিক্ষাৰ উন্নয়ন, মহিলাৰ স্ব-নিৰ্ভৰশীলতা, আন্তঃগাঁথনি উন্নয়ন, যুৱ শক্তিৰ বিকাশ আৰু জীৱন জীৱিকাৰ সৰ্বাংগীন বিকাশেৰে বিজেপিয়ে এখন নতুন বিটিআৰৰ সপোন ৰচা বুলিও তেওঁ কয়। জিলাখনৰ কালিপুখুৰী হাউৰীয়া মাণ্ডলিক বাক্ৰা খেলপথাৰত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি ড° শৰ্মাই ১২ নম্বৰ ছালাকাটি পৰিষদীয়ৰ সমষ্টিৰ দলীয় কৰ্মকৰ্তাসকলক সম্বোধন কৰাৰ পাছতে কাশিয়াবাৰীৰ আৰনাই খেলপথাৰত আয়োজিত আন এখন সভাত অংশগ্ৰহণ কৰে। এই সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ মহিলাসকলে বিজেপিৰ শাসনত স্ব-নিৰ্ভৰলশীলতাৰ দিশে আগবঢ়াৰ প্ৰসংগও দাঙি ধৰে।

ooooo

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। আয়োগে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি অহা ২২ ছেপ্তেম্বৰ সোমবাৰে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আয়োগে অহা ২ ছেপ্তেম্বৰ তাৰিখে মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰিছে। ৪ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ৬ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৬ ছেপ্তেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলৰ এখন বৈঠক উদ্বোধন কৰে। শিক্ষণ পদ্ধতি, পাঠ্যক্ৰম আৰু মূল্যায়ন প্ৰণালীত পৰিৱৰ্তনকামী সংস্কাৰ, ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ তাৎক্ষণিক আৱশ্যকতা শীৰ্ষক বিষয়ক আয়োজিত এই বৈঠকত ৰাজ্যপালগৰাকীয়ে ভৱিষ্যমুখী শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়ে। বিশ্ববিদ্যালয়ৰ আচাৰ্যগৰাকীয়ে লগতে শিক্ষা ব্যৱস্থা সুসংহত আৰু উদ্ভাৱনীমূলক কৰি তোলাৰ বাবে আহ্বান জনায়। তেওঁ কয় যে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ সৈতে সংগতি ৰাখি পাঠ্যক্ৰম আৰু মূল্যায়ন প্ৰণালীৰ সংস্কাৰ কৰাৰ বাবে ৰাজভৱনৰ উদ্যোগত বিভিন্ন বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিৰ সৈতে আলোচনা অনুষ্ঠিত হৈছে। অনুষ্ঠানত দিয়া বাষণত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননী গোপাল মহন্তই শিক্ষাত সংস্কাৰৰ দিশসমূহ আলোচনা কৰাৰ লগতে শিক্ষাৰ্থীৰ বহনক্ষম বিকাশৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। আজিৰ বৈঠকত ১২খন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকল উপস্থিত থাকে।

০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক হিচাপে আজি ড০ দেৱজিৎ চৌধুৰীয়ে আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰিছে। ডাঃ চৌধুৰীয়ে দায়িত্ব গ্ৰহণ কৰিয়ে কয়, যে তেওঁ ৰাইজৰ লগতে কৰ্মচাৰীৰ সুবিধা হোৱাকৈ বিশেষ ফোন নম্বৰ মুকলি কৰাৰ ব্যৱস্থা কৰিব আৰু এই নম্বৰত যিকোনো অভিযোগ দাখিলৰ ব্যৱস্থা থাকিব। ডাঃ চৌধুৰীয়ে জনসাধাৰণৰ হকে চিকিৎসা মহাবিদ্যালয় হাস্পতালখনক আগবঢ়াই নিবলৈ যতপৰোনাস্তি চেষ্টা কৰিব বুলি কয়।

০০০০০

যোৱা ২০ আগষ্টত তামুলপুৰ জিলাৰ গোৰেশ্বৰ  থানাৰ অন্তৰ্গত সুৱাগপুৰ ভৰালী চ'কত উত্তেজিত লোকৰ আক্ৰমণত এজন যুৱক নিহত হোৱা ঘটনা সম্পৰ্কত গোৰেশ্বৰৰ চক্ৰ বিষয়া ত্ৰিলিনা টাইড তদন্ত সমিতিয়ে এই ঘটনা সম্পৰ্কত অহা ২৯ আগষ্টত দিনৰ ১১ বজাত গোৰেশ্বৰৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ত শুনানিৰ দিন ধাৰ্য কৰিছে। এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী অথবা আন বিষয়ক কোনো তথ্য থাকিলে সংশ্লিষ্ট ব্যক্তিয়ে সেইদিনা সমিতিৰ আগত সাক্ষ্য দিব পাৰিব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে। ঘটনা সন্দৰ্ভত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আৰু জনসাধাৰণৰ মাজত সৃষ্টি হোৱা ক্ষোভৰ পৰিপ্ৰেক্ষিতত তালুলপুৰৰ জিলা দণ্ডাধীশে এই দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এটা দুৰ্ঘটনাক কেন্দ্ৰ কৰি উন্মত্ত লোকৰ আক্ৰমণত অভিষেক দাস নামৰ মৃত যুৱকজনৰ চাৰিজন বন্ধু - যুৱৰাজ বড়ো, ধ্ৰুৱজ্যোতি গুৰুং, নৱজ্যোতি দাস আৰু মাৰ্টিন বসুমতাৰীক কালি সুৱাগপুৰ থানাৰ আৰক্ষীয়ে ভাষ্য গ্ৰহণ কৰে।

০০০০০

সমাপ্ত